General Instructions

**Subject :- Assamese**
**Session - 2018-19**

**( খণ্ড- ক)**

অসমীয়া বিষয়ৰ মূল্যাংকনৰ ক্ষেত্ৰত নিৰীক্ষক সকলে তলৰ বিষয়বোৰ লক্ষ্য কৰি মূল্যাংকন কৰিলে ছাত্ৰ-ছাত্ৰী সকল উপকৃত হ'ব।

১ নং ঃ- অনুচ্ছেদৰ উত্তৰসমূহ তাত থকা ধৰণে লিখিব পাৰে নাইবা নিজৰ ভাষাৰেও প্ৰকাশ কৰিব পাৰিব।

২ নং ঃ- অনুচ্ছেদত থকা ২ নং প্ৰশ্নৰ (VII) নম্বৰৰ উত্তৰৰ ক্ষেত্ৰত নিৰীক্ষক সকলে বানান চাই ছাত্ৰ-ছাত্ৰী উপকৃত হোৱাকৈ মূল্যাংকন কৰিব।

**( খণ্ড- খ)**

৩ নং ঃ- গল্পৰ / সাধুকথাৰ শিৰোনামে বিষয়টোক প্ৰতিফলিত কৰি নিজৰ ভাষাৰে লিখিলেও হব। শিৰোনাম এটা বাক্যটো হব পাৰে বা এটাত কৈ অধিক বাক্যও হব পাৰে। এটা শব্দত লিখিলেও মূল্যাংকনত কৃপনালি নকৰাই ভাল।

৪ নং ঃ- গল্পৰ বিষয় বস্তুক ছাত্ৰ-ছাত্ৰীয়ে কাল্পনিক ৰূপ দিলেও মূল বিষয় থাকিব লাগিব।

৫ নং ঃ- নীতিকথাই বিষয় বস্তুক প্ৰতিফলিত কৰি এশাৰীত বা তাতকৈ অধিক শাৰীত লিখিলেও মূল্যাংকনত নম্বৰ দিয়া হব।

৬ নং ঃ- বিষয় বস্তু বৰ্ণনাৰ ক্ষেত্ৰত বানানৰ দিশটোও নিৰীক্ষণ কৰিব। এটা শব্দ বহুবাৰ ভুল ৰূপত লিখিলেও এটা শব্দ বুলি ধৰা হ'ব।

৭ নং ঃ- ৰচনাৰ ক্ষেত্ৰত আদৰ্শমূলক হলে আৰম্ভণি/ পৰিচয় আৱশ্যকতা, উদাহৰণ আৰু সামৰণি উল্লেখ নকৰি প্ৰবন্ধ আকাৰে লিখিলেও নম্বৰ পাব। আনহাতে উৎসৱ বিষয়ৰ ক্ষেত্ৰতো আৰম্ভণি , উৎপত্তি, জাতীয় জীৱনত প্ৰভাৱ আদি বিষয়বোৰ সামৰি প্ৰবন্ধ ৰূপত লিখিব পাৰে।
উৎসৱ বুলিলে অসমত পালন কৰা সকলো উৎসৱকে সামৰি লোৱা হব।

৮ নং ঃ- প্ৰতিবেদনখনৰ এটা শিৰোনাম ।
বিদ্যালয়ৰ সংবাদদাতা/ নিজা প্ৰতিবেদক/ স্থানীয় সংবাদদাতা/
যিকোনো এটা
- স্থানৰ নাম - তাৰিখ ।
- প্ৰতিবেদনখনৰ মূল বিষয় বস্তু সামৰি নিজৰ ভাষাৰে লিখিলেও বাতৰি কাকতৰ আৰ্হিত হলে ভাল।
- প্ৰতিবেদনৰ লগত সম্পাদকলৈ চিঠি লিখাৰ প্ৰয়োজন নাই।
শব্দৰ সীমাৰ ক্ষেত্ৰত নিৰীক্ষকে বিষয় বস্তু চাই মূল্যাংকন কৰিব।

৯ নং ঃ- ফকৰা যোজনাৰ ক্ষেত্ৰত বিষয়বস্তু প্ৰতিফলিত কৰি তাক বাস্তৱ দিশটো সামৰিলে হব।

১০ নং ঃ- পত্ৰ লিখনৰ ক্ষেত্ৰত ৰচনা বিচিত্ৰাৰ আহি অনুকৰণ কৰিব। সম্বোধন, মংগল সূচক বাক্য মূল বিষয় বস্তু, সামৰণি আদি দিশবোৰ সামৰিব পাৰিলে ভাল। নিজৰ নাম সাংকেতিক ভাষাত সোঁ দিশত লিখিছেনে নাই সেই বিষয়ে নিৰীক্ষকে চাব।

১১ নং ঃ- ১ নং প্ৰশ্নৰ ক্ষেত্ৰত এটা শব্দ বা এটা বাক্যত হব পাৰে।

১২ নং ঃ- প্ৰশ্ন সমূহৰ উত্তৰৰ ক্ষেত্ৰত বিষয় বোৰ পাঠ ভিত্তিক বা বিষয়গত হৈছে নে হোৱা নাই তাৰ নিৰীক্ষণ কৰি মূল্যাংকন কৰিব।

১৩ নং ঃ- ৬ নং প্ৰশ্নৰ (ঘ) ৰ উত্তৰৰ ক্ষেত্ৰত ২ টা বা বেছি লিখিলেই সম্পূৰ্ণ নম্বৰ পাব।

১৪ নং ঃ- ব্যাখ্যাৰ ক্ষেত্ৰত তিনিটা স্তৰ থকা হলে ভাল। কিন্তু আজিকালি ছাত্ৰ-ছাত্ৰীয়ে তেনে নকৰে। গতিকে নিৰীক্ষকে সেই বিষয়বোৰ চাই মূল্যাংকন কৰিব। তাৎপৰ্য ব্যাখ্যা আৰু প্ৰসঙ্গ সংগতি যিহেতু বেলেগ বিষয় গতিকে ৮ নং প্ৰশ্নৰ উত্তৰৰ স্তৰ বিভাজনত গুৰুত্ব দি মূল্যাংকন কৰিব।

মূল্যাংকনৰ সময়ত আহিব পৰা সম্ভাব্য আসোঁৱাহ দলগত ভাৱে আলোচনা কৰি সমাধান সূত্ৰ উলিয়াব পাৰিব ।

**MARKING SCHEME**
**Subject :- Assamese**
**Code No- 014**
**Session - 2019**

( খণ্ড- ক)

**প্ৰশ্ন ১ উত্তৰ -**

ক) মানৱ সভ্যতাত লিখাৰ কৌশল অৰ্থাৎ বৰ্ণমালা আৰু লিখিত ভাষা আৱিষ্কাৰ হোৱাৰ পাছত মানুহে নিজৰ মনৰ ভাৱ কথা, জীৱনৰ অভিজ্ঞতা, ঘটনা- কাহিনী আদি বিষয়ৰ কথা লিখি প্ৰকাশ কৰিবলৈ আৰম্ভ কৰাৰ পৰাই কিতাপ বা গ্ৰন্থৰ জন্ম হয়। 2

খ) কিতাপ পঢ়িলে জ্ঞান বাঢ়ে, মন বহল হয়, বহু নজনা কথা জানিব পাৰি। তদুপৰি দেশ-বিদেশৰ বিদ্বান লোকসকলৰ চিন্তা- ভাৱনা, সাহিত্য কৰ্মৰ লগত সম্পৰ্ক স্থাপন হয়। কিতাপে অজৰি সময়ত আনন্দ দিয়াৰ লগতে একোখন ভাল কিতাপে মানুহৰ একোজন ভাল বন্ধুৰ দৰে লগ দিয়ে। 2

গ) কিতাপৰ নিচা আৰু ৰাগিয়াল বস্তুৰ নিচাৰ মাজত পাৰ্থক্য এয়ে যে ৰাগিয়াল বস্তুৰ নিচাই মানুহক ধ্বংস কৰে; কিন্তু গ্ৰন্থৰ নিচাই মানুহৰ জ্ঞান-বুদ্ধিৰ উৎকৰ্ষ সাধনৰ লগতে আনন্দ বৰ্দ্ধনতো সহায় কৰে। 2

ঘ) ডঃ মাৰ্টিনাৰ এড্‌লাৰে কিতাপ এখন দুবাৰ পঢ়াৰ ওপৰত গুৰুত্ব দিয়াৰ কাৰণ হ'ল যে কিতাপ এখন এবাৰ ওপৰে ওপৰে পঢ়াৰ পিছত কিতাপখনৰ বিষয়ে এটা সাধাৰণ ধাৰণা হ'ব; কিন্তু দ্বিতীয়বাৰ কিতাপখন খুব লাহে ধীৰে পঢ়িলে লেখকৰ প্ৰতিটো কথা বুজিবলৈ সহজ হয়। 2

ঙ) মহৎ লোকৰ বাণীয়ে আমাৰ জীৱনৰ গতি- পথ সলনি কৰি দিয়ে আৰু একোজন আদৰ্শ ব্যক্তি হোৱাত প্ৰেৰণা যোগাব পাৰে। 2

চ) কিতাপ সম্পৰ্কে ভল্টেয়াৰে কৈছিল যে - "কোনো বৰ্বৰ জাতিৰ বাহিৰে সমগ্ৰ ভূ-মণ্ডলৰ মানৱ জাতিক পৰিচালনা কৰে কিতাপে।" 2

ছ) বন্ধু- শত্ৰু। 1x3 = 3

জ) আৱিষ্কাৰ = আৱিঃ + কাৰ।

ঝ) দুৰ - উপসৰ্গ।

(খণ্ড-খ)

**প্ৰশ্ন নং ২ উত্তৰ ঃ**

ক) সাম্ভাব্য শিৰোনামা- গঁড় আৰু কনক; বুধিয়ক কনক; 2+8+2=12

কনকৰ উপস্থিত বুদ্ধি; কনকৰ বুদ্ধিমত্তা আদি।

গল্পটোৰ নীতিকথা ঃ বিপদত বিচলিত নহৈ ধৈৰ্যৰে সমস্যা সমাধান কৰিব লাগে।

বা

উপস্থিত বুদ্ধিৰ সহায়ত বিপদৰ পৰা হাত সাৰিব পাৰি।

বলেৰে নোৱাৰা কাম বুদ্ধিৰে কৰিব পাৰি । বিষয় বস্তুক প্ৰতিফলিত কৰিব পৰা যিকোনো বাক্য নীতি কথা হব পাৰে।

খ) ১) অসমত পালন কৰা যিকোনো এটা উৎসৱ যেনে 'বিহু'ৰ লগতে অন্যান্য জনগোষ্ঠীয় উৎসৱ সমূহৰ বিষয়ে লিখিব। ( আলি -আই-লৃগাং, বৈসাগু , আদি) দুৰ্গা পূজাও অন্তৰ্ভুক্ত হ'ব। 12

২) 'অধ্যৱসায় ' - ৰচনাখন ৰচনা বিচিত্ৰাত থকাৰ দৰে বা ছাত্ৰ ছাত্ৰীয়ে নিজৰ জ্ঞানৰ সহায়ত লিখিব।

**প্ৰশ্ন নং ৩ উত্তৰ ঃ** প্ৰতিবেদনখনৰ এটা আকৰ্ষণীয় শিৰোনাম। 8
বিদ্যালয়ৰ সংবাদদাতা / নিজা প্ৰতিবেদক/ স্থানীয় সংবাদদাতা/ (যিকোনো এটা ) স্থানৰ নাম তাৰিখ ।
প্ৰতিবেদনখনৰ মূল বিষয়বস্তু ( স্বাধীনতা দিবসৰ সঠিক তাৰিখ উল্লেখ কৰিব) লিখিব।

**প্ৰশ্ন নং ৪ উত্তৰ ঃ** সাধাৰণ ভাৱ আৰু গূঢ়াৰ্থ বুজাই লিখিব পাৰিলেই ছাত্ৰ- ছাত্ৰীয়ে নম্বৰ পাব। 5

নাইবা

চিঠিৰ বিষয়, নাম- ঠিকনা সম্পূৰ্ণ শুদ্ধকৈ লিখিব পাৰিলেই ( ৰচনা বিচিত্ৰাত দিয়া ধৰণে) ছাত্ৰ- ছাত্ৰীয়ে নম্বৰ পাব।

**(খণ্ড গ)**

**প্ৰশ্ন নং ৫** 1

ক) পৰিণাম- পৰি 1
ক) "চোন" অনুসৰ্গৰে ছাত্ৰ-ছাত্ৰয়ে যিকোনো এটা বাক্য ৰচনা কৰিব। 1
গ) ভাৱবোধক চিন ( !) ব্যৱহাৰ কৰি যিকোনো এটা বাক্য লিখিব। 1
ঘ) যি ঈশ্বৰক বিশ্বাস নকৰে- নাস্তিক। 1
ঙ) উৎকৃষ্ট- নিকৃষ্ট। 1
চ) তাৰৈ- আমৈ। 1
ছ) উলুৰনি- উলু + অনি 1
জ) 'সন্ধি ভাঙা - যিকোনো দুটাৰ) 1
শংকৰ = শম্ + কৰ 1x2=2
জগদীশ= জগৎ + ঈশ
নমস্কাৰ= নমঃ +কাৰ

ঝ) ১) গাড়ীখন ষ্টেচনত ৰৈছে। 1x2=2
২) মই তাক ক্ষমা নকৰো। 1x2=2

ঞ) ১) তাই পঢ়া-শুনাত ভাল কিন্তু ব্যৱহাৰ বেয়া।
২) মোৰ কথামতে নচলিলে তুমি বিপদত পৰিবা। 1x2=2

ট) ১) ৰাতি ঃ- নিশা, ৰজনী, যামিনী, ক্ষমা, ক্ষণদা, ত্ৰিযামা।
২) অগ্নি ঃ- অনল, জুই, বহ্নি, পাৱক, হুতাশন।

**(খণ্ড ঘ)**

**প্ৰশ্ন নং ৬ ( যিকোনো দুটাৰ)**

ক) সৃষ্টিৰ ক্ষেত্ৰত আত্মাৰ উৰ্দ্ধত যে কোনো নাই, তাকে ছাত্ৰ- ছাত্ৰীয়ে লিখনিৰ মাজেৰে প্ৰকাশ কৰিব পাৰিলে নম্বৰ পাব। 4x2=8

খ) অসমীয়া ভাষা- সংস্কৃতি গ্ৰহণ কৰি এক- বৃহৎ জাতিত পৰিণত হোৱা অসমত বাস কৰা সকলো জাতি-

জনজাতিৰ যোগসূত্ৰ হৈছে অসমীয়া ভাষা। কথাখিনি ভালদৰে প্ৰকাশ কৰিব পাৰিলে ছাত্ৰ- ছাত্ৰীয়ে নম্বৰ পাব।

গ) যিটো কথাই গোটেই দিনটো পবিনৰ মনত এটা আশা-নিৰাশাৰ ভাৱে ক্ৰিয়া কৰি আছিল, সেই একেটা কথাই তাৰ বন্ধু দিলীপে সোধাৰ পিছত আকৌ এবাৰ দেউতাককো উত্তৰ দিবলগীয়া হোৱাত অলপ টান মাতেৰে কলে। ইয়াৰ বাবেই অনুশোচনাত ভুগি পবিনৰ নিজৰ ওপৰতে খং উঠিল কথাষাৰ বুজাই লিখিলে নম্বৰ পাব।

ঘ) ছাত্ৰ-ছাত্ৰীয়ে কিতাপত থকা চাৰি বা পাঁচটা উদাহৰণেৰে উত্তৰটো সম্পূৰ্ণ কৰিব।

**প্ৰশ্ন নং ৭ (যিকোনো এটাৰ)**

ক) মানুহৰ দৈনন্দিন জীৱনৰ হাঁহি - কান্দোন সুখ- দুখ আদিৰ পৰাই বিভিন্ন ৰসৰ সংমিশ্ৰণেৰে শুকান নীৰস বাক্য এটাকো ৰসাল কৰি তুলিব পাৰি। এনেদৰেই ই এখন মহাকাব্যতো পৰিণত হ'ব পাৰে। 2×1=2

খ) ডাকৰ জন্ম, কিহৰ বাবে বিখ্যাত কিতাপত থকা ধৰণে লিখিলেই নম্বৰ পাব।

গ) ডাঙৰ মানুহ বৰুৱা ছাৰৰ ল'ৰাৰ বিয়ালৈ যোৱা মানুহৰ অভাৱ নহ'ব। নাইবা অন্য এদিনো গৈ শুভেচ্ছা জনাব পাৰিব। কিন্তু তেওঁলোকৰ ঘৰৰ ল'ৰাৰ দৰে পবিনৰ বিয়ালৈ নগ'লে সি দুখ পাব। কথাখিনি বুজাই লিখিলে ছাত্ৰ- ছাত্ৰীয়ে নম্বৰ পাব।

ঘ) বিশ্বৰ কেন্দ্ৰত সূৰ্য থকা বুলি ধৰিলে গ্ৰহবোৰৰ গতিপথ শুদ্ধকৈ গণনা কৰাত সুবিধা হয়। খালী - চকুৰে দেখা গ্ৰহ কেইটা সূৰ্যৰ চৌপাশে বৃত্তীয় পথেৰে ঘূৰি আছে আৰু চন্দ্ৰই পৃথিৱীক পৰিভ্ৰমণ কৰিছে।

**(পদ্য ভাগ)**

**প্ৰশ্ন নং ৮ (যিকোনো এটাৰ)**

ক) আমাৰ ডেকা-গাভৰু সকলৰ তেওঁলোকৰ দেশৰ প্ৰতি থকা ভালপোৱা, সপোন সমূহ কাৰ্যৰ দ্বাৰা প্ৰকাশ কৰি নতুন ভাৰত গঢ়াত সহায় কৰিব। এই প্ৰসঙ্গতে কবিতাফাঁকি ব্যাখ্যা কৰিলে নম্বৰ পাব।

খ) অসমীয়া সমাজৰ জোৰোণ অনুষ্ঠানত আয়তীসকলৰ ভূমিকা বৰ্ণনা কৰি প্ৰসঙ্গ সঙ্গতি দৰ্শাই ব্যাখ্যা কৰিব। 1×4=4

গ) "হৰি বিনে আমাৰ গতি নাই।" এই ভাৱ আগত ৰাখি বৰগীতটিৰ মূলভাৱ লিখিব।

ঘ) সঁজাৰ মইনা বুলি আমাৰে শৰীৰৰ ভিতৰত থকা আত্মাৰ কথাই কোৱা হৈছে। আত্মাৰ অবিহনে মানৱ দেহৰ মূল্য নাই। কথাষাৰ বুজাই লিখিব পাৰিলেই ছাত্ৰ-ছাত্ৰীয়ে নম্বৰ পাব।

**প্ৰশ্ন নং ৯ (যিকোনো দুটাৰ)**

ক) ব্ৰজাৱলী ভাষাৰ মূল ভেটি মৈথিলীৰ লগত ভোজপুৰী , নেৱাৰী আৰু কাষৰীয়া অঞ্চলৰ আন ভাষাৰ সংমিশ্ৰণেৰে ব্ৰজাৱলী ভাষাই এক স্বতন্ত্ৰ ৰূপ লাভ কৰিছে। 2×2=4

খ) আহোম স্বৰ্গদেউ গদাধৰ সিংহই ৰূপাই দা-ধৰাৰ প্ৰৰোচনাত (কথাশুনি) ৰূপাই দা-ধৰাৰ হতুৱাই চকু কাঢ়িছিল।

গ) ময়ূৰে গোমচেং মেখেলা আৰু পখিলাই বুটা তুলি ফুল বচা ৰিহা দিছিল।

ঘ) পাণী পথৰ প্ৰথম যুদ্ধৰ ইব্ৰাহীম লোডী আৰু বাবৰৰ মাজত হৈছেল। এই যুদ্ধৰ ফলত দিল্লীত চুলতানী শাসনৰ অৱসান হয় আৰু মোগল সাম্ৰাজ্যৰ প্ৰতিষ্ঠা হয়।

**প্ৰশ্ন নং ১০ (যিকোনো দুটাৰ)**

ক) চোৰধৰা, পিম্পৰা- গুচোৱা, ভমি লেটোৱা, ভোজন বিহাৰ।

খ) ৰচুল ——— দেৱদূত, ঈশ্বৰ প্ৰেৰিত পুৰষ, আল্লাৰ দূত। 2×1=2
গ) হেঁটুলুকা ——— ৰঙা ঠোঁট আৰু সেউজীয়া গাৰে এবিধ সৰু চৰাই।
ঘ) "ওঙ্কাৰ ধাম" শব্দৰদ্বাৰা ভাৰতীয় সভ্যতা সংস্কৃতিৰ তীৰ্থস্থানকে বুজাব খুজিছে।

(দ্ৰুত পাঠ)

**প্ৰশ্ন নং ১১ (যিকোনো এটাৰ)**

ক) 'তেওঁলোক আমাৰ মাজৰ এজন।' কথাষাৰ বুজাই ছাত্ৰ-ছাত্ৰীয়ে উত্তৰ লিখিব।
খ) সমাজৰ কিছুমান সৰু সৰু সমস্যাৰ কথা জনাই প্ৰেৰণাই ৰাষ্ট্ৰপতিলৈ চিঠি লিখিব বিচাৰিছিল। যিবোৰ কথাৰে মাজত সোমাই আছে গভীৰ মানৱতাবোধে। 1×2=2

**প্ৰশ্ন নং ১২**

ক) বন্ধন/অভিমান
খ) কহিমালৈ যাওতে। 1×3=3
গ) প্ৰেৰণা যে শাৰীৰিক, মানসিক ভাৱে অক্ষম নহয়, তাকে প্ৰমাণ কৰিব বিচাৰিছিল। চুইমিং পুলত অকমাণি ল'ৰাটো পানীৰ পৰা তুলি আমি তাইৰ ক্ষমতাৰ পৰিচয় দিব পাৰিছিল। আৰু ইচ্ছা পূৰণ হৈছিল।